১০ আমাৰ অসম

৩০ জুন, ২০২৩ শুকুৰবাৰ, যোৰহাট

# ড° অদিতি বৰুৱাৰ ভক্তিৰস সম্পৰ্কীয় ইংৰাজী গ্ৰন্থ উন্মোচন

'আমাৰ অসম'ৰ ডিব্ৰুগড়ৰ ষ্টাফ ৰিপ'ৰ্টাৰ, ২৯ জুন ঃ নিজৰ সন্তানে কিবা ভাল কাম কৰিলে অন্তৰত আনন্দ আৰু সুখ অনুভৱ কৰে অথচ সেয়া ভাষাৰে প্ৰকাশ কৰা সম্ভৱ নহয়, সেইদৰে ড° অদিতি বৰুৱাই মোৰ নামত গ্ৰন্থখনি উছৰ্গা কৰি মোক শ্ৰদ্ধা কৰাৰ আনন্দ শব্দৰে বুজাই ক'ব পৰা বিধৰ নহয়। —এই বক্তব্য প্ৰথিতযশা সাহিত্যিক, মিতভাষৰ স্ৰষ্টা তথা সাহিত্য অকাডেমি ফেল' ড° নগেন শইকীয়াৰ। আজি সন্ধিয়া সাহিত্যিকগৰাকীৰ পুথিভঁৰাল 'বৰ্ণমালা'ত আয়োজিত অনুষ্ঠানত বিশিষ্ট গায়িকা, পুস্পা দেৱী জালান বঁটাপ্ৰাপ্ত লেখিকা তথা ডিব্ৰু কলেজৰ সংস্কৃত বিভাগৰ মুৰব্বী অধ্যাপিকা ড° অদিতি বৰুৱাৰ 'এন ইনছাইট ইন টু দি ভক্তি লিটাৰেচাৰ অৱ আছাম' শীৰ্ষক ভক্তিৰস সম্পৰ্কীয় ইংৰাজী গ্ৰন্থখনৰ উন্মোচনী অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকি এইদৰে কয় সাহিত্যিকগৰাকীয়ে। যেতিয়ালৈকে তত্ত্বৰ অৰ্থ বুজি পাব নোৱাৰে, তেতিয়ালৈকে কোনো ঋষি হ'ব নোৱাৰে। কাৰণ ঋষিসকলে সকলো অন্তৰ্দৃষ্টিৰে দেখা পায়। উন্মোচিত গ্ৰন্থখনৰ মাত্ৰ ছয়টা তত্ত্বগধুৰ নিবন্ধত তত্ত্ব আৰু ৰূপৰ সংমিশ্ৰণ ঘটিছে। 'প্ৰতিমাখনি সৰু যদিও সোণৰ দৰে' হোৱাৰ নিচিনাকৈ গ্ৰন্থখনিয়েই তেনে ৰূপ পাইছে বুলিও ভাষণত উল্লেখ কৰি একালৰ বন্ধু ড° যোগেন্দ্ৰনাৰায়ণ ভূঞাৰ কন্যা তথা লেখিকা ড° অদিতি বৰুৱাক অন্তৰেৰে আশীৰ্বাদ প্ৰদান কৰে। সাৰস্বত ন্যাসৰ প্ৰচাৰ সম্পাদক ৰতন হাজৰিকাই আঁত ধৰা গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত গ্ৰন্থখন উন্মোচন কৰি ডিব্ৰু কলেজৰ অৱসৰপ্ৰাপ্ত অধ্যাপক, সমাজকৰ্মী ড° ৰঞ্জিত সিনহাই কয় যে লেখিকা বৰুৱাই সদায় সৎসংগৰ সৈতে জীৱন-যাপন কৰি আহিছে। সেয়ে তেওঁ আনবোৰ দিশৰ লগতে আধ্যাত্মিক দিশতো আগবাঢ়ি যাবলৈ সক্ষম হৈছে। অনুষ্ঠানত তামিলনাডুৰ বিশিষ্ট কবি এজহিল বেনধেন উপস্থিত থাকি অসম আৰু তামিলনাডুৰ বহু ইউনিক সম্পৰ্ক থকাৰ কথা উল্লেখ কৰি গ্ৰন্থখনিয়ে ভাৰতবৰ্ষৰ ভক্তিৰসপ্ৰেমী পাঠকক উপকৃত কৰিব বুলি আশা প্ৰকাশ কৰে। লেখিকাগৰাকীৰ মাতৃ মাধন ভূঞা, সাৰস্বত ন্যাসৰ দাত্ৰী লাৱন্য শইকীয়াকে ধৰি আত্মীয়সকল আৰু কেইবাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিতি থকা অনুষ্ঠানত ডিব্ৰু কলেজৰ অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক ড° মনোজ শৰ্মা, লেখক অমৃত বৰুৱায়ো শুভেচ্ছামূলক বক্তব্য আগবঢ়ায়। উল্লেখ্য, আজি উন্মোচিত গ্ৰন্থখন লেখিকা ড° বৰুৱাৰ পঞ্চমখন গ্ৰন্থ।